**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**----------------------**

অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত ৰদবদলৰ বাবে চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি অসম আৰক্ষীৰ মহা পৰিদৰ্শক পাৰ্থ সাৰথি মহন্তক গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত হিচাপে নতুন দায়িত্ব দিয়া হৈছে। বৰ্তমানৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাক অসম আৰক্ষীৰ বিশেষ শাখালৈ বদলি কৰা হৈছে। তেওঁক লগতে ডেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালকৰ দায়িত্ব অৰ্পন কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অসম আৰক্ষীৰ প্ৰশিক্ষণ আৰু সশস্ত্ৰ আৰক্ষীৰ দায়িত্বত থকা অখিলেশ কুমাৰ সিঙক আইন শৃংখলা শাখাৰ আৰক্ষীৰ মহাপৰিদৰ্শক ৰূপে বদলি কৰা হৈছে। বিষয়াজনে অতিৰিক্তভাৱে অসম আৰক্ষীৰ যোগাযোগ শাখাৰ মহাপৰিদৰ্শক হিচাপেও দায়িত্ব পালন কৰিব। আনহাতে অসম আৰক্ষীৰ বিশেষ শাখাৰ আৰক্ষীৰ মহাপৰিদৰ্শকৰ দায়িত্বত থকা আই পি এছ বিষয়া লাচিত বৰুৱাক অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আইন-শৃংখলাৰ দায়িত্বত থকা আই পি এছ বিষয়া প্ৰশান্ত কুমাৰ ভূঞা অসম আৰক্ষীৰ প্ৰশাসন শাখাৰ মহাপৰিদৰ্শক হিচাপে নিযুক্তি দিয়া হৈছে। অসম আৰক্ষীৰ এম পি চি শাখাৰ দায়িত্বত থকা আই পি এছ বিষয়া বিবেক ৰাজ সিঙক অসম আৰক্ষীৰ প্ৰশিক্ষণ আৰু সশস্ত্ৰ আৰক্ষী শাখাৰ লগতে বি টি এ ডিৰ আৰক্ষীৰ মহাপৰিদৰ্শকৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

০০০০০০

এখন অধ্যয়নমুখী সমাজৰ ভেঁটি স্থাপন কৰাৰ প্ৰয়াসেৰে ৰাজ্য চৰকাৰে বিভিন্ন সময়ত পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত  বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে উদযাপনৰ ঘোষণাৰ পূৰ্বেই ৰাজ্যত পুথিভঁড়াল  বিপ্লৱ সূচনা কৰাৰ উদ্দেশ্যে ২০২৩-২৪ বৰ্ষৰ মুলধন বিনিয়োগৰ বিশেষ সাহায্য পুঁজিৰ অধীনত ২৫৯ কোটি ৭ লাখ টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰ অধীনত ৰাজ্যৰ ২ হেজাৰ ১৯৭ খন গাওঁ পঞ্চায়ত আৰু ৪০০ টা পৌৰ নিগমৰ ৱাৰ্ডক সামৰি মুঠ ২ হেজাৰ ৫৯৭ টা পুথিভঁড়াল নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে শিশু আৰু কিশোৰসকলক কিতাপ আৰু উন্নত শিকণৰ সমল প্ৰদান, ৰাষ্ট্ৰীয় ডিজিটেল পুথিভঁড়ালৰ সৈতে সংহতকৰণৰ লগতে যুৱ প্ৰজন্মৰ মাজত অধ্যয়ন আৰু শিকণৰ মানসিকতা গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি বিশিষ্ট সাহিত্যিক য়ছে দৰজে ঠংচিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান কৰা হ'ব। ৰাজ্য শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰিব।

০০০০০০

কাছাৰ জিলাৰ ৪ খন গাঁৱক বাল্যবিবাহ মুক্ত গাঁও হিচাপে ঘোষণা কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। **বেটি বাচাও, বেটি পঢ়াও** আঁচনিৰ অধীনত গাঁও কেইখনক বাল্যবিবাহ মুক্ত বুলি ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত সামাজিক মাধ্যমযোগে ৰাজ্য চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা বাল্যবিবাহ বিৰোধী অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ **বেটি বাচাও, বেটি পঢ়াও** আঁচনিৰ সমান্তৰালকৈ অসম চৰকাৰে গ্ৰহণ কৰা নিযুত মইনা আঁচনি আৰু অসম মুছলিম বিবাহ বাধ্যতামূলক পঞ্জীয়ন আইনে ৰাজ্যত বাল্যবিবাহ ৰোধৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৮ বজাৰ পৰা **২০২৪ বৰ্ষ আৰু ইয়াৰ বৈ যোৱা স্মৃতি** সন্দৰ্ভত এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইংৰাজীত প্ৰচাৰ হ'বলগীয়া এই অনুষ্ঠানটি এফ এম গোল্ড চেনেলত ১০০ দশমিক ১ মেগাহাৰ্টজত আৰু আকাশবাণীৰ অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আকাশবাণীৰ ৱেবছাইট NEWS ON AIR DOT GOV DOT IN আৰু আমাৰ ইউটিউব চেনেল AKASHVANI AIR আৰু NEWS ON AIR OFFICIAL তো এই অনুষ্ঠান উপলব্ধ হ'ব।

000000

কাৰাগাৰ, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই কালি তিনিচুকীয়াৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে তেওঁৰ গৃহ জিলাৰ সামগ্ৰিক পৰিস্থিতি সম্পৰ্কে সংশ্লিষ্ট বিষয়াবৰ্গৰ পৰা খতিয়ান লয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ আমোলত ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিৰ অভূতপূৰ্ব উন্নতি পৰিলক্ষিত হৈছে। কালিৰ পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াৰ জনসাধাৰণৰ নিৰাপত্তাৰ ক্ষেত্ৰত যাতে ক্ৰুটী নাথাকে সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে ইংৰাজী নৱবৰ্ষ, ভোগালী বিহু আৰু বনভোজৰ বতৰৰ পৰিপ্ৰেক্ষিতত দুৰ্ঘটনা প্ৰতিৰোধৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উৎসৱৰ বতৰত পথ দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধিৰ প্ৰসংগ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত সময়ছোৱাত সম্পূৰ্ণ সজাগ হৈ থাকিবলৈ আৰক্ষীক নিৰ্দেশ দিয়ে। বৈঠকত গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব, অজয় তিৱাৰী, জিলা আয়ুক্ত স্বপ্নীল পাল, তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱৰ উপৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ গৃহৰক্ষী বাহিনীৰ কমাণ্ডেণ্ট, তিনিচুকীয়াৰ জিলা কাৰাগাৰ অধীক্ষক, তিনিচুকীয়াৰ অগ্নি আৰু জৰুৰী সেৱাৰ ভাৰপ্ৰাপ্ত বিষয়াকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

000000

দুলীয়াজানৰ ত্ৰিদীৱ নাট্যগোষ্ঠীৰ উদ্যোগত আৰু মধুপুৰ তিনিআলিৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত সদৌ অসম ভাওনা প্ৰতিযোগিতাত যোৰহাট পুলিবৰৰ শ্ৰীমন্ত শংকৰ মাধৱ নাট্য গোষ্ঠীক শ্ৰেষ্ঠ দলৰ সন্মান প্ৰদান কৰা হয়। ফুলপানীছিগাৰ অৰুণোদয় সাংস্কৃতিক গোষ্ঠী আৰু লাহদৈগড় গোপালদেৱ সমন্বয় শিল্পী সমাজে যুটীয়াভাৱে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। একেদৰে শিৱসাগৰৰ ত্ৰিগুণাতীত নাট্য গোষ্ঠীয়ে তৃতীয় আৰু দুলীয়াজানৰ কুৰুক্ষেত্ৰ সাংস্কৃতিক গোষ্ঠীয়ে চতুৰ্থ শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে।

000000

শিৱসাগৰ টেনিছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত শিৱসাগৰ মুকলি টেনিছ প্ৰতিযোগিতাত আৰাইনা টি আহমেদ আৰু নিৱাজ কে হুছেইনে দ্বিমুকুট অৰ্জন কৰিছে। শিৱসাগৰৰ আৰাইনাই ছোৱালীৰ ১২ আৰু ১৪ বছৰ

অনুৰ্দ্ধৰ ফাইনেলত গোলাঘাটৰ দিবান্ধতী তামুলীক হৰুৱাই খিতাপ দখল কৰে। ইফালে, শিৱসাগৰৰ নিৱাছে ১৪ বছৰ অনূৰ্দ্ধৰ ছিংগলছৰ ফাইনেলত গুৱাহাটীৰ চন্দ্ৰশেখৰ মোহান্তিক পৰাস্ত কৰি খিতাপ দখল কৰে। ১৪ বছৰ অনূৰ্দ্ধৰ ডবলছৰ ফাইনেলত নিৱাছে চন্দ্ৰশেখৰৰ সৈতে যুটী বান্ধি শিৱসাগৰৰ ৰিয়ানজ্যোতি দত্ত আৰু অনয় শৰ্মাক পৰাস্ত কৰে। আনহাতে, ছোৱালীৰ ১৮ বছৰ অনুৰ্দ্ধত গোলাঘাটৰ নাবিহা মাৰিয়মে শিৱসাগৰৰ আদ্ৰিকা ৰাজকুমাৰীক আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ আৰুছ দাসে নুমলীগড়ৰ ৰেইনাৰ্ড পি বি কাশ্যপক হৰুৱাই খিতাপ হস্তগত কৰে। পুৰুষৰ ডবল্‌ৰ ফাইনেলত অইল ইণ্ডিয়াৰ উদিত গগৈ আৰু ইফতিকাৰ শ্বেখে এন এফ ৰেলৰেৰ টুটু থাপা-সুধান্ত মোহান্তিক হৰুৱায়। ইফালে, ভেটাৰেনৰ ৪০ বছৰ উৰ্দ্ধৰ ডবল্‌ত জাকিৰ বৰাই দিলীপ মোহান্তিৰ সৈতে আৰু ৫০ বছৰ উৰ্দ্ধত জাকিৰে হাবিব আলীৰ সৈতে যুটী বান্ধি খিতাপ হস্তগত কৰে। সামৰণী অনুষ্ঠানত বঁটা বিতৰণ কৰে আক্ৰামুল ইছলাম, জাকিৰ হুছেইন, দীপ্তিৰাণী দত্ত, সৌৰভ দত্ত, ৰাজীৱ হাজৰিকা আৰু সোমেশ ডেকাই।

০০০০০০

সমাপ্ত